# U.S. Secretary of State Antony Blinken called on Prime Minister Narendra Modi

July 28, 2021

# মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব এন্থনী ব্লিনকেনে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে

জুলাই 28, 2021

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব এন্থনী ব্লিনকেনে আজি আগভাগত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে সাক্ষাৎ কৰে।

সচিব ব্লিনকেনে ৰাষ্ট্ৰপতি বাইডান আৰু উপ-ৰাষ্ট্ৰপতি হেৰিচৰ শুভেচ্ছা বাৰ্তা প্ৰৰণ কৰে প্ৰধান মন্ত্ৰীলৈ। তেওঁ প্ৰধান মন্ত্ৰীক দিনটোৰ আগ ভাগত বিদেশ বিষয়ক মন্ত্ৰী আৰু ৰাষ্ট্ৰীয় সুৰক্ষা পৰামৰ্শদাতাৰ সৈতে হোৱা তেওঁৰ ফলপ্ৰসু বিনিময়ৰ বিষয়ে অৱগত কৰে আৰু প্ৰতিৰক্ষা, সামুদ্ৰিক সুৰক্ষা, বাণিজ্য আৰু বিনিয়োগ, জলবায়ু পৰিৱৰ্তন আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ দৰে বিভিন্ন খণ্ডত ভাৰত মাৰ্কিন যুক্তৰাষ্ট্ৰ কৌশলগত সম্পৰ্ক অধিক গভীৰ কৰাৰ প্ৰতি কঠোৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰে।

প্ৰধান মন্ত্ৰীয়ে ৰাষ্ট্ৰপতি বাইডেন আৰু উপ ৰাষ্ট্ৰপতি হেৰিচলৈ নিজৰ উমাল শুভেচ্ছা জ্ঞাপন কৰে আৰু কুৱাড, কোভিড-19 আৰু জলবায়ু পৰিৱৰ্তনৰ সম্বন্ধত ৰাষ্ট্ৰপতি বাইডেনে লোৱা পদক্ষেপসমূহৰ প্ৰশংসা কৰে।

সচিব ব্লিনকেনে ভাৰত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মাজত দ্বিপক্ষীয় আৰু বহুপক্ষীয় বিষয়সমূহৰ এক বহল পৰিসৰৰ ওপৰত বাঢ়ি অহা একত্ৰীকৰণ আৰু এই একত্ৰীকৰণক স্থিৰ আৰু ব্যৱহাৰিক সহযোগিতালৈ পৰিৱৰ্তন কৰাৰ প্ৰতি দুয়ো কৌশলগত অংশীদাৰৰ প্ৰতিশ্ৰুতিৰ প্ৰশংসা কৰে।

প্ৰধান মন্ত্ৰী মোদীয়ে কয় যে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ভাৰতৰ সমাজৰ এক গভীৰ প্ৰতিশ্ৰুতি আছে গণতন্ত্ৰ, স্বাধীনতা আৰু মুক্তিৰ নীতিসমূহৰ প্ৰতি, আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰত থকা ভাৰতীয় প্ৰৱাসীসকলে দ্বিপক্ষীয় বান্ধোনৰ উন্নতিত বৃহৎ অৱদান দিছে।

প্ৰধান মন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰত-মাৰ্কিন যুক্তৰাষ্ট্ৰ কৌশলগত অংশীদাৰীত্ব পৰৱৰ্তী বছৰসমূহত অধিক বৃহৎ বিশ্বযোৰা গুৰুত্বৰ হ'ব, কোভিড-19, বিশ্বযোৰা অৰ্থনীতি পুনৰুদ্ধাৰ আৰু জলবায়ু পৰিৱৰ্তনে প্ৰদান কৰা প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত।

**নতুন দিল্লী**
**জুলাই 28, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.